# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 15-02-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# <u>HEADLINES</u>

১। কেন্দ্ৰীয় চৰকাৰে পথ দুৰ্ঘটনাৰ বলি হোৱা লোকক চিকিৎসালয়ত ভৰ্তি আৰু চিকিৎসাৰ নিশ্চয়তা প্ৰদান কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী **ৰাহত আঁচনি** আৰম্ভ কৰাৰ প্ৰস্তাৱত অনুমোদন জনাইছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ. জয়শংকৰে কালি মিউনিখ নিৰাপত্তা সন্মিলনত ভাগ লোৱাৰ সুযোগতে কেইবাখনো দেশৰ বিদেশ মন্ত্ৰীৰ সৈতে আলোচনাত মিলিত হয়।

৩। ৰে'লৰ সাধাৰণ শ্ৰেণীৰ দবাসমূহ এতিয়া প্ৰথম শ্ৰেণীৰ দবাৰ দৰেই পৰিষ্কাৰ কৰা হ'ব বুলি ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে।

৪। সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি নীতি আৰু উৎসাহ উদ্দীপনাৰে শিৱৰাত্ৰি পালন কৰা হৈছে।

***আৰু***

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোত হ'বলগীয়া এখন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পথ দুৰ্ঘটনাৰ বলি হোৱা লোকক চিকিৎসালয়ত ভৰ্তি আৰু চিকিৎসাৰ নিশ্চয়তা প্ৰদান কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী **ৰাহত আঁচনি** আৰম্ভ কৰাৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই আঁচনিৰ অধীনত যিকোনো পথ দুৰ্ঘটনাৰ বলি হোৱা ব্যক্তিক ৭ দিন পৰ্যন্ত চিকিৎসাৰ বাবে ডেৰ লাখ টকাকৈ নগদ ধন ৰোহিত চিকিৎসাৰ খৰচ চৰকাৰে বহন কৰিব। পথ, পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই সিদ্ধান্তই পথ দুৰ্ঘটনাৰ পাছত তাৎক্ষণিক চিকিৎসা সাহায্যৰ অভাৱত প্ৰাণনাশৰ ঘটনা ৰোধ কৰাৰ প্ৰতি চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, চিকিৎসালয়সমূহক যান-বাহন দুৰ্ঘটনা পুঁজিৰ পৰা ধন আদায় দিয়া হ'ব। নতুন দিল্লীৰ সেৱা তীৰ্থৰ পৰা কালি প্ৰধানমন্ত্ৰী ৰাহত আঁচনিৰ শুভাৰম্ভ কৰা কাৰ্যই চৰকাৰৰ নাগৰিক কেন্দ্ৰিক দৃষ্টিভংগী প্ৰতিফলিত কৰে বুলি মন্ত্ৰালয়ে জানিবলৈ দিয়ে। দেশত বছৰি পথ দুৰ্ঘটনাৰ ফলত ভালেসংখ্যক লোকে প্ৰাণ হেৰুওৱাব লগীয়া হয়। অধ্যয়ন অনুসৰি পথ দুৰ্ঘটনাৰ এঘণ্টাৰ ভিতৰত ভুক্তভোগীসকলক চিকিৎসালয়ত ভৰ্তি কৰিব পাৰিলে এনে দুৰ্ঘটনাৰ ফলত নিহত লোকৰ সংখ্যা ৫০ শতাংশ কম কৰিব পৰা যায়।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ. জয়শংকৰে মিউনিখ নিৰাপত্তা সন্মিলনত ভাগ লোৱাৰ সুযোগতে জাৰ্মানীৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী জোহান ৱাডেপুলৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত

হয়। যোৱা নিশা সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে ড° জয়শংকৰে কয়, যে বৈঠকৰ সময়ত দুয়োপক্ষই বিভিন্ন ক্ষেত্ৰত সহযোগিতাৰ অগ্ৰগতিৰ মূল্যায়ন কৰি আঞ্চলিক সক্ৰিয় কেন্দ্ৰসমূহৰ বিষয়ে আলোচনা কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে কানাডাৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী অনিতা আনন্দকো সাক্ষাৎ কৰি কয় যে ভাৰত-কানাডাৰ সম্পৰ্কৰ অবিৰত প্ৰগতি অব্যাহত আছে।

ড° জয়শংকৰে চেক গণৰাজ্যৰ উপ-প্ৰধানমন্ত্ৰী তথা বৈদেশিক পৰিক্ৰমা মন্ত্ৰী পেটৰ মেচিনকাকো সাক্ষাৎ কৰি অৰ্থনৈতিক আৰু প্ৰতিৰক্ষা সহযোগিতা শক্তিশালী কৰাৰ বিষয়ে আলোচনা কৰে। ড° জয়শংকৰে উপ-প্ৰধানমন্ত্ৰীগৰাকীক ভাৰতলৈ আমন্ত্ৰন জনায়।

০০০০০

কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ঘোষণা কৰিছে যে ৰে'লৰ সাধাৰণ শ্ৰেণীৰ দবা সমূহ এতিয়া প্ৰথম শ্ৰেণীৰ দবাৰ সমানেই পৰিষ্কাৰ কৰা হ'ব। কালি নতুন দিল্লীত ৰে'ল সংস্কাৰৰ সন্দৰ্ভত এখন সংবাদমেলত ভাষণ দি শ্ৰীবৈষ্ণৱে কয়, যে বৰ্ধিত চাফাই পদক্ষেপৰ বাবে প্ৰথম অৱস্থাত ছমাহৰ ভিতৰত ৮০ খন দীৰ্ঘ দূৰত্বৰ ৰে'ল চিনাক্ত কৰা হ'ব। তেওঁ কয়, যে এই ৰে'লসমূহত দায়বদ্ধ কৰ্মচাৰী নিয়োগ কৰা হ'ব যাতে একৰ পৰা ডেৰ ঘণ্টাৰ ব্যৱধানত চাফাই কৰাটো নিশ্চিত কৰিব পাৰি। শ্ৰীবৈষ্ণৱে কয়, যে শৌচাগাৰ, জাবৰৰ দম, আৰু কেবিনসমূহ নিৰন্তৰ পৰিষ্কাৰ কৰাটো নিশ্চিত কৰা হ'ব। তেওঁ লগতে কয়, যে পূৰ্বে বিভিন্ন প্ৰতিষ্ঠানে চম্ভালি থকা চাফাই কামত এতিয়া অধিক দায়বদ্ধতা আৰু দক্ষতা নিশ্চিত কৰিবলৈ এটা সংস্থাই পৰিচালনা কৰিব।

শ্ৰীবৈষ্ণৱে লগতে কয়, যে তিনি বছৰৰ ভিতৰত ১৮ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চল সামৰি মুঠ ১২৪টা গতি শক্তি কাৰ্গো টাৰ্মিনেল স্থাপন কৰা হৈছে। তেওঁ কয়, যে এই টাৰ্মিনেলসমূহে সমগ্ৰ দেশতে মাল্টি মডেল সংযোগ বৃদ্ধি কৰিছে আৰু পৰিবহন ব্যয় হ্ৰাস কৰিছে। ৰেল মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতীয় ৰে'লৱে বিশ্বৰ দ্বিতীয় বৃহত্তম মালবাহী বাহক হিচাপে পৰিগণিত হৈছে।

০০০০০

সমগ্ৰ দেশত আজি ধৰ্মীয় ৰীতি নীতি আৰু উৎসাহ উদ্দীপনাৰে শিৱৰাত্ৰি পালন কৰা হৈছে। ভগৱান শিৱৰ ভক্তসকলৰ বাবে অতিকে পৱিত্ৰ বুলি গণ্য কৰা এই দিনটোত উপৱাসে থাকি মন্দিৰসমূহত গোটেই ৰাতি পূজা অৰ্চনা কৰা হয়। হাজাৰ হাজাৰ ভক্তই শান্তি আৰু সমৃদ্ধিৰ বাবে আশীষ লাভৰ উদ্দেশ্যে আজি তীৰ্থস্থানসমূহত পৱিত্ৰ স্নান কৰে।

০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই অসম, দিল্লী, হাৰিয়ানা, মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকৰ বিভিন্ন জিলাক সামৰি তিনিটা বহুমুখী আন্তঃগাঁথনি প্ৰকল্পত অনুমোদন জনোৱাৰ বাবে লোৱা সিদ্ধান্তই ৰে'ল আন্তঃগাঁথনি সুদৃঢ় কৰি তুলিব, পৰিবহণ ব্যয় হ্ৰাস কৰাত সহায় কৰিব আৰু যুৱক-যুৱতীসকলৰ বাবে কৰ্মসংস্থাপৰ সুযোগ সৃষ্টি কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। শ্ৰীমোদীয়ে কয়, যে হায়দৰাবাদ-পানাজী সংযোগী অৰ্থনৈতিক কৰিডৰৰ গুডেবেলুৰৰ পৰা মহবুবনগৰলৈ ১৬৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথচোৱা সম্প্ৰসাৰণ কৰাৰ বাবে লোৱা সিদ্ধান্তই অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব, কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰিব আৰু জীৱন-ধাৰণ অধিক সুচল কৰি তুলিব। প্ৰধানমন্ত্ৰীয়ে কয়, যে মন্ত্ৰীসভাই অসমৰ গহপুৰ আৰু নুমলীগড়ৰ মাজত এটা চাৰিটা লেন যুক্ত প্ৰৱেশ নিয়ন্ত্ৰিত কৰিডৰ নিৰ্মাণতো অনুমোদন জনাইছে। এই প্ৰকল্পৰ অংশহিচাপে ব্ৰহ্মপুত্ৰত দেশৰ প্ৰথমটো পানীৰ তলৰ  পথ তথা ৰে'ল সুৰংগ নিৰ্মাণ কৰা হ'ব। তেওঁ কয়, যে এই ঐতিহাসিক প্ৰকল্পই অসমসহ সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলত যোগাযোগ ব্যৱস্থা সুদৃঢ় কৰি তুলিব। পৰিবহণ ব্যয় হ্ৰাস কৰিব আৰু অঞ্চলটোৰ বিকাশ্ব ত্বৰান্বিত কৰিব। মন্ত্ৰীসভাই নয়দাৰ ১৪২ নম্বৰ চেক্টৰৰ পৰা বটানিকেল গাৰ্ডেনলৈ সম্প্ৰসাৰিত কৰিডৰৰ প্ৰস্তাৱটো অনুমোদন জনোৱা বুলি শ্ৰীমোদীয়ে জানিবলৈ দিয়ে।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গান্ধীনগৰৰ মহাত্মা মন্দিৰত ভাৰতৰ প্ৰথমটো কেন্দ্ৰীয় বেংকৰ ডিজিটেল মুদ্ৰা ভিত্তিক ৰাজহুৱা বিতৰণ ব্যৱস্থা মুকলি কৰিব। গুজৰাট চৰকাৰৰ এই ডিজিটেল মুদ্ৰাৰ পদক্ষেপৰ লক্ষ্য হৈছে খাদ্য শস্যৰ বিতৰণ অধিক স্বচ্ছ আৰু অভেদ্য কৰি তোলা। এই অনুষ্ঠানত ৰাজ্যখনৰ খাদ্য সুৰক্ষাৰ নেটৱৰ্ক শক্তিশালী কৰাৰ বাবে শস্যৰ এ টি এম আৰু বিশেষ পুষ্টি অভিযানৰ আৰম্ভ কৰা হ'ব।

ইয়াৰ ফলত গুজৰাট ৰাজহুৱা বিতৰণৰ বাবে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ দ্বাৰা অনুমোদিত ডিজিটেল টোকেন ব্যৱহাৰ কৰা দেশৰ প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হব। এই পাইলট প্ৰকল্পৰ অধীনত আহমেদাবাদ, চুৰাট, আনন্দ, আৰু ভালছাদৰ ২৬ হাজাৰৰো অধিক পৰিয়ালে কিউআৰ ক'ড বা অ'টিপিৰ জৰিয়তে ৰেচন ক্ৰয় কৰিবলৈ তেওঁলোকৰ ৱালেটত ডিজিটেল টোকেন লাভ কৰিব। এই ব্যবস্থাত আহমেদাবাদৰ 'অন্নপুৰতী' শস্য এটিএমৰ জৰিয়েত মাত্ৰ পঁত্ৰিশ ছেকেণ্ডত পঁচিশ কিলোগ্ৰাম পৰ্যন্ত শস্য বিতৰণ কৰিব পৰা যাব। ইয়াৰ লগতে গৃহমন্ত্ৰী শ্বাহে নৰ্মদা জিলাত পুষ্টিহীনতাৰ সৈতে মোকাবিলা কৰিবলৈ 'সুপশিত গাৰুদেশ্বৰ' অভিযান মুকলি কৰিব।

00000

ৰাষ্ট্ৰসংঘৰ এখন প্ৰতিবেদন অনুসৰি বিগত বৰ্ষৰ অক্টোবৰৰ শেষৰ ফালে চুডানৰ দাৰফুৰ অঞ্চলত তিনিদিনৰ ভিতৰত ছয় হাজাৰতকৈ অধিক লোকৰ মৃত্যু হৈছে।

শুকুৰবাৰে প্ৰকাশ পোৱা এখন প্ৰতিবেদনত ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ কাৰ্যালয়ে কয় যে দেশখনৰ এল-ফাশ্বাৰ চহৰ দখল কৰিবলৈ কৰা আক্ৰমণৰ সময়ত অৰ্ধ সামৰিক বাহিনী ৰেপিড

ছাপৰ্ট ফৰ্চে ব্যাপক অত্যাচাৰ চলাইছিল। প্ৰতিবেদনখনত কোৱা হৈছে যে হিংসাৰ পৰিসৰ আৰু প্ৰকৃতি যুদ্ধাপৰাধ আৰু মানৱতাৰ বিৰুদ্ধে সম্ভাব্য অপৰাধৰ সমান হ'ব পাৰে।

২৯ পৃষ্ঠাৰ এই প্ৰতিবেদনত গণহত্যা, যৌন হিংসা, মুক্তিপণৰ বাবে অপহৰণ, নিৰ্যাতন, স্বেচ্ছাচাৰীভাৱে আটক কৰা আৰু বলপূৰ্বকভাৱে নিৰুদ্দেশ কৰা আদি ঘটনাৰ নথিভুক্ত কৰা হৈছে। বহুতো আক্ৰমণ গোষ্ঠীগতভাৱে সংঘটিত হোৱা বুলি কোৱা হৈছে।

০০০০০

জাৰ্মানীৰ মিউনিখত কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে বাভাৰিয়া প্ৰদেশৰ ইউৰোপীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰিক্ৰমা মন্ত্ৰী এৰিক বেইছৰেংগাৰক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমতী সীতাৰমণে কয় যে, চলিত বৰ্ষৰ জানুৱাৰী মাহত জাৰ্মান চ্যান্সেলৰে ভাৰত ভ্ৰমণক আলোকপাত কৰি দুয়োগৰাকী নেতাই দুয়োখন ৰাষ্ট্ৰৰ মাজত গভীৰ দ্বিপাক্ষিক অংশীদাৰিত্ব কেনেদৰে শক্তিশালী হৈ আছে সেই সন্দৰ্ভত আলোচনা কৰে। তেঁওলোকে শেহতীয়াকৈ সমাপ্ত ভাৰত-ইউৰোপীয় ইউনিয়নৰ চুক্তিবদ্ধ চুক্তিৰ বিষয়েও আলোচনা কৰে আৰু সেউজ আৰু বহনক্ষম অংশীদাৰিত্বৰ জৰিয়তে জলবায়ু বিত্তীয় সাহায্যৰ পথ অন্বেষণ কৰে, আৰু দুয়োখন দেশৰ পৰা পুনঃব্যৱহাৰ উদ্যোগৰ উত্তম পদ্ধতিৰ আদান-প্ৰদান কৰে।

বিত্তমন্ত্ৰীগৰাকীয়ে লগতে ভাৰতে দক্ষতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা আৰু দক্ষতাৰ ক্ষেত্ৰত বিশেষকৈ ভাৰতৰ স্বাস্থ্যসেৱা খণ্ডত কেন্দ্ৰীয় বাজেট ২০২৬-২৭ৰ ঘোষণাসমূহৰ ওপৰত আলোকপাত কৰে।

০০০০০

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দলে এই খেলখনত জয়লাভ কৰি প্ৰতিযোগিতাত জয়ৰ ধাৰা অক্ষুন্ন ৰখাৰ চেষ্টা চলাব। দুয়োটা দলে বৰ্তমানলৈকে দুখনকৈ খেল খেলি ৪ পইণ্টকৈ অৰ্জন কৰিছে।

প্ৰতিযোগিতাত আজি ১১ বজাত মুম্বাইৰ বাংখেড়ে ষ্টেডিয়ামত হ'বলগীয়া অন্য এখন খেলত ৱেষ্ট ইণ্ডিজ, নেপালৰ সন্মুখীন হ'ব। একেদৰে বিয়লি ৩ বজাত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰ নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

যোৱানিশা আহমেদাবাদত অনুষ্ঠিত গ্ৰুপ-বিৰ এখন খেলত দক্ষিণ আফ্ৰিকাই নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত কৰে। নিউজিলেণ্ডে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৭৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই এইডেন মাৰ্কৰামৰ অপৰাজিত ৮৬ ৰানৰ সহায়ত ১৭ অভাৰ আৰু এটা বলত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্য অতিক্ৰম কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ চাৰিটা উইকেট দখল কৰা মাৰ্ক জেনছেনেক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দল আজি চিদনীত হ'বলগীয়া তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ৪৫ মিনিটত অনুষ্ঠিত হ'ব। শৃংখলাত হৰমন প্ৰীত কৌৰে ভাৰতীয় দলৰ নেতৃত্ব বহন কৰিব।

০০০০০

**সমাপ্ত**